# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৩৫/২০২০

## যোৰহাট আৰু মাজুলী জিলাৰ কৰ'না সংক্ৰমণ প্ৰতিৰোধৰ বাবে লোৱা পদক্ষেপ সমূহৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## লক্-ডাউন ভংগ কৰা সকলৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে প্ৰয়োজন সাপেক্ষে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৭ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি যোৰহাট চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে চিকিৎসা মহাবিদ্যালয়খনৰ আছুতীয়া কক্ষ পৰিদৰ্শন কৰাৰ উপৰি কৰ'না ভাইৰাছ সংক্ৰমিত হ'লে ল'ব পৰা চিকিৎসা ব্যৱস্থাৱলী সম্পৰ্কতো বুজ লয়। আজিৰ এই পৰিদৰ্শনৰ সময়ত কৃষি মন্ত্ৰী অতুল বৰা, বিধায়ক বিমল বৰা, যোৰহাট জিলাৰ উপায়ুক্ত ৰোশনী অপৰাঞ্জি কোৰাটী উপস্থিত থাকে।

যোৰহাট আৰু মাজুলী জিলাত কৰ'না সংক্ৰমণৰ প্ৰতিৰোধৰ বাবে লোৱা ব্যৱস্থাৱলী পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে যোৰহাট জিলাৰ আৰৱৰ্ত্ত ভৱনৰ সভাকক্ষত অনুষ্ঠিত বৈঠকত দুয়োখন জিলাৰ উপায়ুক্তই প্ৰশাসনে লোৱা ব্যৱস্থাৱলী সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ দিনীয়া যি লক্-ডাউনৰ আহ্বান জনাইছে সেয়া নিশ্চিতৰূপত কাৰ্যকৰী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে সামাজিক দূৰত্ব বজাই ৰখাৰ ক্ষেত্ৰত প্ৰশাসনে তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। জনসাধাৰণে যাতে এই সময়ছোৱাত ঘৰৰ ভিতৰতে আৱদ্ধ হৈ থাকে তাৰ বাবে প্ৰয়োজনীয় জনসচেতনতা গঢ়ি তুলিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে চাহ বাগিছা এলেকাৰ জনসাধাৰণক বিশেষভাৱে সচেষ্ট কৰাৰ বাবে পদক্ষেপ ল'ব লাগিব। সামাজিক দূৰত্ব বজাই ৰাখি জনসাধাৰণে যাতে নিত্য প্ৰয়োজনীয় সামগ্ৰী লাভ কৰিব পাৰে আৰু লক্-ডাউনৰ সুযোগ লৈ কোনেও যাতে নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্য বৃদ্ধি কৰিব নোৱাৰে সেইটো সুনিশ্চিত কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত উজনি অসমৰ আয়ুক্ত, ডি আই জি, যোৰহাট আৰু মাজুলী জিলাৰ উপায়ুক্ত, যোৰহাট আৰু তিতাবৰ পৌৰসভাৰ বিষয়ববীয়া, স্বাস্থ্য, এপিডিচিল, জনস্বাস্থ্য কাৰিকৰী বিভাগ, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ উপৰি চেম্বাৰ্চ অৱ কমাৰ্চৰ প্ৰতিনিধি বৰ্গ উপস্থিত আছিল।

আনহাতে, মুখ্যমন্ত্ৰীয়ে আজি যোৰহাটত এক সংবাদমেলত কয় যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত শাক-পাচলি ক্ৰয়ৰ বাবে জনসাধাৰণ ওলাই আহি লক্-ডাউন ভংগ কৰাটো অতিশয় দূৰ্ভাগ্যজনক। ইয়াৰ ফলত ৰাজ্যৰ সজাগ-সচেতন জনসাধাৰণ মৰ্মাহত হৈ পৰিছে বুলি উল্লেখ কৰি জনসাধাৰণে শৃংখলাৰদ্ধতা আৰু সামাজিক দূৰত্ব বজাই ৰাখি লক্-ডাউনৰ সময়ছোৱাত নিজৰ ঘৰতে আৱদ্ধ হৈ থাকিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ ক লৈ সমগ্ৰ বিশ্ব আজি চিন্তিত হৈ পৰিছে। কৰ'না ভাইৰাছ সংক্ৰমণ ৰোধৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ দিনীয়া লক্-ডাউন কাৰ্যসূচী ঘোষণা কৰাৰ

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই মূহুৰ্তত সামাজিক ব্যৱধান মানি চলি নিজৰ ঘৰৰ ভিতৰতে আৱদ্ধ হৈ থকাৰ বাহিৰে কোনো বিকল্প নাই। মুখ্যমন্ত্ৰীয়ে কয় যে এতিয়ালৈকে ক'ভিড-১৯ ৰ কোনো ঔষধ আৱিস্কাৰ হোৱা নাই আৰু কোনেও সমাধান সূত্ৰও দিব পৰা নাই। সেইবাবে জনসাধাৰণে ঘৰৰ ভিতৰতে আৱদ্ধ হৈ থাকি নিজৰ লগতে পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰক সুৰক্ষিত কৰি ৰাখিব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰত চৰকাৰ আৰু স্বাস্থ্য বিভাগে দিয়া পৰামৰ্শাৱলী মানি চলি সমাজখনক সুৰক্ষিত কৰিব লাগিব। যিকোনো সমাৱেশৰ পৰা মানুহ আঁতৰি থাকিব লাগিব। সামাজিক দূৰত্ব বজাই নৰখাসকলৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৬৫ বছৰৰ উৰ্দ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু ১০ বছৰৰ তলৰ শিশুৰ বিশেষ যত্ন ল'ব লাগিব। প্ৰচাৰ মাধ্যমকে ধৰি জনপ্ৰতিনিধি, চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে জনসচেতনতা সৃষ্টিৰ বাবে প্ৰয়াস চলাই আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে সামাজিক ব্যৱধান মানি চলি নিজে সুৰক্ষিত, স্বাস্থ্যৱান আৰু নিৰোগী হৈ থাকিব লাগিব। চৰকাৰী নীতি-নিয়ম উলংঘা কৰিলে সমাজৰ বৃহত্তৰ স্বাৰ্থত ৰাজ্য চৰকাৰে কঠোৰ পদক্ষেপ ল'বলৈ বাধ্য হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান, জিলা প্ৰশাসনে নিৰীক্ষণ ব্যৱস্থা এটা গঢ়ি তুলিছে। চৰকাৰে ২৪ ঘন্টাই সেৱা আগবঢ়াবলৈ প্ৰস্তুত হৈ আছে। ইউৰোপ, চীনকে ধৰি বিশ্বৰ ভিন্ন প্ৰান্তত কৰ'না ভাইৰাছে সৃষ্টি কৰা পৰিস্থিতি সকলোৱে উপলব্ধি কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে স্বাস্থ্য বিভাগে চিকিৎসা মহাবিদ্যালয়, অসামৰিক হাস্পতালত সকলোধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। জনসাধাৰণে লক্-ডাউন কাৰ্যসূচী সম্পূৰ্ণভাৱে মানি চলিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**শাঃগঃ / পুঃডেঃ / বীঃগঃ**
**২৭/০৩/২০২০**

---

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in